رئاسة الشؤون الدينية
بالمسجد الحرام والمسجد النبوي

فَضَائِلُ وَآدَابُ المَسْجِدِ النَّبَوِيِّ وَأَحْكَامُ زِيَارَةِ قَبْرِ النَّبِيِّ ﷺ وَقَبْرَي صَاحِبَيْهِ رَضِيَ اللَّهُ عَنْهُمَا

آسامي

অসমীয়া

মছজিদে নবৱীৰ ফজীলত আৰু নিয়ম-নীতি, লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ আৰু তেখেতৰ দুয়ো চাহাবা ৰাদ্বিয়াল্লাহু আনহুমাৰ কবৰ জিয়াৰতৰ বিধি-বিধান

মছজিদুল হাৰাম আৰু মছজিদে নবৱীৰ
ধৰ্মীয় বিষয়াদিৰ সৰ্বোচ্চ পৰিষদৰ অধীনত গৱেষণা সমিতি

فَضَائِلُ وَآدَابُ المَسْجِدِ النَّبَوِيِّ

وَأَحْكَامُ زِيَارَةِ قَبْرِ النَّبِيِّ ﷺ

وَقَبْرَي صَاحِبَيْهِ رَضِيَ اللهُ عَنْهُمَا

মছজিদে নবৱীৰ ফজীলত আৰু নিয়ম-নীতি, লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ আৰু তেখেতৰ দুয়ো চাহাবা ৰাদ্বিয়াল্লাহু আনহুমাৰ কবৰ জিয়াৰতৰ বিধি-বিধান

اللَّجْنَةُ العِلْمِيَّةُ

بِرِئَاسَةِ الشُّؤُونِ الدِّينِيَّةِ بِالمَسْجِدِ الحَرَامِ وَالمَسْجِدِ النَّبَوِيِّ

মছজিদে হাৰাম আৰু মছজিদে নবৱীৰ ধর্মীয় বিষয় পৰিচালনা সমিতিৰ তত্ত্বাৱধানত পৰিচালিত গৱেষণা সমিতি

بِسْمِ اللهِ الرَّحْمَنِ الرَّحِيمِ

মছজিদে নবৱীৰ ফজীলত আৰু নিয়ম-নীতি, লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ আৰু তেখেতৰ দুয়ো চাহাবা ৰাদ্বিয়াল্লাহু আনহুমাৰ কবৰ জিয়াৰতৰ বিধি-বিধান

মছজিদুল হাৰাম আৰু মছজিদে নবৱীৰ ধর্মীয় বিষয়াদিৰ সর্বোচ্চ পৰিষদৰ অধীনত গৱেষণা সমিতি

সংকলক

মছজিদুল হাৰাম আৰু মছজিদে নবৱীৰ ধর্মীয় বিষয়াদিৰ সর্বোচ্চ পৰিষদৰ অধীনত গৱেষণা সমিতি

১৪৪৭ হিজৰী

ভূমিকা

সকলো ধৰণৰ প্রশংসা বিশ্বজগতৰ প্রতিপালক আল্লাহৰ বাবে। দৰূদ আৰু ছালাম বর্ষিত হওক সমগ্র বিশ্বজগতৰ বাবে ৰহমত হিচাপে প্রেৰিত নবীৰ ওপৰত, তেওঁৰ পৰিয়ালবর্গ আৰু চাহাবাসকলৰ ওপৰত, আৰু সেইসকল লোকৰ ওপৰত যিসকলে কিয়ামত পর্যন্ত তেওঁৰ ছুন্নতৰ অনুসৰণ কৰিব আৰু তেওঁৰ হিদায়ত অনুসৰি পৰিচালিত হ'ব। ইয়াৰ পাছতঃ

এইখন এখন সংক্ষিপ্ত পুস্তিকা, য'ত মছজিদে নবৱীৰ গুৰুত্বপূর্ণ ফজীলতসমূহ, ইয়াৰ জিয়াৰতৰ নিয়ম-নীতি,

আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লাম তথা তেওঁৰ চাহাবাদ্বয়ৰ কবৰ জিয়াৰতৰ নিয়ম-নীতিসমূহ সন্নিবিষ্ট কৰা হৈছে। আমি এইখন মছজিদে নবৱীৰ জিয়াৰতকাৰীসকলৰ বাবে সংকলন কৰিছোঁ, যাতে তেওঁলোকে নবীউল উম্মাহ (উম্মতৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লাম)ৰ মছজিদৰ ফজীলত, ইয়াৰ জিয়াৰত আৰু ইয়াত চালাত আদায় কৰাৰ নিয়ম-নীতি সম্পৰ্কে সঠিক জ্ঞান আৰু সঠিক দিশ লাভ কৰিব পাৰে। আমি পৰম দয়ালু আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰোঁ যে, তেওঁ যেন ইয়াৰ দ্বাৰা সকলোকে উপকৃত কৰে, আৰু ইয়াক কেৱল তেওঁৰ সন্তুষ্টিৰ বাবে এক সৎকৰ্ম হিচাপে কবুল কৰে। নিশ্চয় তেৱেঁই হৈছে উত্তম সহায়কাৰী আৰু মহানতম আশাৰ স্থল।

গৱেষণা সমিতি

প্ৰথম: মছজিদে নবৱীৰ ফজীলতসমূহ

মহান আল্লাহে কৈছেঃ

﴿وَرَبُّكَ يَخۡلُقُ مَا يَشَآءُ وَيَخۡتَارُۗ مَا كَانَ لَهُمُ ٱلۡخِيَرَةُۚ سُبۡحَٰنَ ٱللَّهِ وَتَعَٰلَىٰ عَمَّا يُشۡرِكُونَ ٦٨﴾

“আৰু তোমাৰ প্ৰতিপালকে যি ইচ্ছা কৰে সেইটোৱে সৃষ্টি কৰে আৰু যাক ইচ্ছা কৰে তাকেই মনোনীত কৰে, ইয়াত সিহঁতৰ কোনো অধিকাৰ নাই। আল্লাহ পৱিত্ৰ, মহান আৰু সিহঁতে যি অংশী কৰে তাৰ পৰা তেওঁ বহু উৰ্দ্ধত।” (ছুৰা কাচাচঃ ৬৮) মহান আল্লাহে এই

ঠাইডোখৰক তেওঁৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ মছজিদ হিচাপে নির্বাচিত কৰিছে আৰু ইয়াক বহুতো ফজীলতৰ দ্বাৰা বিশেষত্ব প্রদান কৰিছে, তাৰে অন্যতম হৈছে:

যি তিনিটা মছজিদক উদ্দেশ্য কৰি ভ্রমণ কৰা বৈধ, এইটো হৈছে তাৰেই এটা অন্যতম মছজিদ।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বর্ণিত, তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বর্ণনা কৰি কৈছেঃ

«لَا تُشَدُّ الرِّحَالُ إِلَّا إِلَى ثَلَاثَةِ مَسَاجِدَ: مَسْجِدِي هَذَا، وَمَسْجِدِ الحَرَامِ، وَمَسْجِدِ الأَقْصَى».

"তিনিটা মছজিদৰ বাহিৰে বেলেগ ক'তো তোমালোকে (ছোৱাবৰ উদ্দেশ্যে) ছফৰ কৰি নাযাবা। সেই তিনিটা মছজিদ হৈছেঃ মোৰ এই মছজিদ, মছজিদে হাৰাম আৰু মছজিদে আকচা।"[1].

মছজিদে হাৰামৰ বাহিৰে অন্যান্য মছজিদৰ তুলনাত মছজিদে নবৱীত নামাজ পঢ়াৰ ছোৱাব হৈছে এহেজাৰ গুণ উত্তম:

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বর্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«صَلَاةٌ فِي مَسْجِدِي هَذَا خَيْرٌ مِنْ أَلْفِ صَلَاةٍ فِيمَا سِوَاهُ، إِلَّا المَسْجِدَ الحَرَامَ».

"মছজিদে হাৰামৰ বাহিৰে অন্যান্য মছজিদৰ

[1] বুখাৰী (১১৮৯), মুছলিম (১৩৯৭) শব্দবোৰ মুছলিমৰ।

তুলনাত মোৰ এই মছজিদত নামাজ পঢ়াটো এহেজাৰ গুণ উত্তম।"[1]

নিশ্চয় এইখনেই হৈছে সেই মছজিদ, যাৰ ভিত্তি প্ৰথম দিৱসৰ পৰাই তাক্বৱাৰ ওপৰত স্থাপিত হৈছে:

আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰলৈ তেখেতৰ কোনো এগৰাকী পত্নীৰ ঘৰত গৈছিলোঁ। তেতিয়া মই ক'লোঁঃ হে আল্লাহৰ ৰাছুল! মছজিদ দুটাৰ ভিতৰত কোনটো মছজিদৰ ভেটি তাক্বৱাৰ (আল্লাহভীতিৰ) ওপৰত স্থাপন হৈছে? তেওঁ কৈছেঃ তেতিয়া তেখেতে এমুঠি শিলগুটি লৈ মাটিত মাৰিলে, তাৰ পিছত ক'লেঃ

«هُوَ مَسْجِدُكُمْ هَذَا» لِمَسْجِدِ المَدِينَةِ.

«সেইটো হৈছে তোমালোকৰ এই মছজিদ» অৰ্থাৎ মদীনাৰ মছজিদ।[2]

এই মছজিদত দ্বীনি ইল্ম অৰ্জন কৰা ব্যক্তিৰ ছোৱাব হৈছে আল্লাহৰ পথত জিহাদকাৰী মুজাহিদৰ ছোৱাবৰ দৰে:

আৰু আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই শুনিছোঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

[1] বুখাৰী (১১৯০) মুছলিম (১৩৯৫) শব্দবোৰ বুখাৰীৰ।
[2] ছহীহ মুছলিম (১৩৯৮)।

«مَنْ جَاءَ مَسْجِدِي هَذَا، لَمْ يَأْتِهِ إِلَّا لِخَيْرٍ يَتَعَلَّمُهُ أَوْ يُعَلِّمُهُ، فَهُوَ بِمَنْزِلَةِ المُجَاهِدِ فِي سَبِيلِ اللهِ، وَمَنْ جَاءَ لِغَيْرِ ذَلِكَ، فَهُوَ بِمَنْزِلَةِ الرَّجُلِ يَنْظُرُ إِلَى مَتَاعِ غَيْرِهِ».

"যি ব্যক্তিয়ে মোৰ এই মছজিদলৈ কেৱল কোনো কল্যাণকৰ বিষয় শিকিবলৈ বা শিকোৱাবলৈ আহে, সেই ব্যক্তিৰ মর্যাদা হৈছে আল্লাহৰ ৰাস্তাত থকা মুজাহিদৰ দৰে। আনহাতে যি ব্যক্তিয়ে বেলেগ কোনো উদ্দেশ্য লৈ আহে, তেওঁ হৈছে সেই ব্যক্তিৰ দৰে, যিয়ে আনৰ বয়-বস্তুৰ ফালে চাই থাকে।"[1]

ইয়াত ৰাওজা শ্বৰীফ আছেঃ

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বর্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَا بَيْنَ بَيْتِي وَمِنْبَرِي رَوْضَةٌ مِنْ رِيَاضِ الجَنَّةِ، وَمِنْبَرِي عَلَى حَوْضِي».

"মোৰ ঘৰ আৰু মিম্বৰৰ মধ্যৱর্তী ঠাইখিনি হৈছে জান্নাতৰ এটা বাগান, আৰু মোৰ মিম্বৰ হৈছে মোৰ হাউজৰ ওপৰত অৱস্থিত।"[2]

দ্বিতীয়: পৱিত্র মছজিদে নবৱী জিয়াৰত কৰাটো হৈছে মুস্তাহাব

এইবোৰ ফজীলত থকাৰ বাবে আৰু ইয়াৰ উপৰিও অন্যান্য কাৰণত যেনে নামাজ আদায় কৰা আৰু ইবাদত কৰাৰ উদ্দেশ্যে মছজিদে নবৱী জিয়াৰত কৰা মুস্তাহাব।

---

[1] ইবনে মাজাহ (হাদীছ নং ২২৭), ছনদ ছহীহ।

[2] (বুখাৰীঃ ১১৯৫, আৰু মুছলিমঃ ১৩৯০)

- হজ্জৰ আগত বা পিছত মছজিদে নবৱী জিয়াৰত কৰাটো হজ্জ পালনকাৰী আৰু অন্যান্য ব্যক্তিৰ বাবে ছুন্নত। এই জিয়াৰত হজ্জৰ কোনো চর্ত, ৰুকন অথবা ওৱাজিব নহয় আৰু হজ্জৰ সৈতে ইয়াৰ কোনো সম্পর্কও নাই।

- মছজিদে নবৱী জিয়াৰত কৰাৰ বাবে কোনো নির্দিষ্ট সংখ্যক ছালাত আদায় কৰা অথবা মদীনাত কোনো নির্দিষ্ট সময় পর্যন্ত অৱস্থান কৰাটোও চর্ত নহয়। বৰং চালাত ফৰজ হওক বা নফল, মাত্র এক ওৱাক্ত আদায় কৰিলেই ইয়াৰ জিয়াৰত সম্পন্ন হয়। কিন্তু তাত চালাতৰ সংখ্যা যিমানেই বৃদ্ধি পাব, ছোৱাবো সিমানেই বৃদ্ধি পাব।

- মছজিদে নবৱী জিয়াৰতকাৰীৰ বাবে তাত সকলো ফৰজ নামাজৰ লগতে নফল নামাজসমূহ আদায় কৰাটো মুস্তাহাব; কিয়নো আগতেই উল্লেখ কৰা হৈছে যে, মছজিদে হাৰামৰ বাহিৰে অন্যান্য মছজিদৰ তুলনাত ইয়াত নামাজ পঢ়াটো হৈছে এহেজাৰ গুণ উত্তম।

তৃতীয়ঃ মছজিদে নবৱী জিয়াৰত কৰাৰ নীতি-নিয়ম

যেতিয়া কোনো মুছলিম ব্যক্তিয়ে মছজিদে নবৱীলৈ আহিব, তেতিয়া তেওঁ বিশেষকৈ মছজিদে নবৱী সম্পর্কীয় শ্বাৰয়ী নিয়ম-নীতিসমূহ পালন কৰাটো মুস্তাহাব, যিদৰে সাধাৰণভাৱে সকলো মছজিদৰ

ক্ষেত্রত পালন কৰা হয়। সেইবোৰ হৈছেঃ

মছজিদলৈ অহাৰ সময়ত শান্ত-শিষ্টভাৱে, গাম্ভীর্য্যতাৰ সৈতে, পৱিত্রতা, সুন্দৰ অৱস্থা আৰু সুগন্ধিৰ সৈতে আহিব লাগে। আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِذَا ثُوِّبَ لِلصَّلَاةِ فَلَا تَأْتُوهَا وَأَنْتُمْ تَسْعَوْنَ، وَأْتُوهَا وَعَلَيْكُمُ السَّكِينَةُ، فَمَا أَدْرَكْتُمْ فَصَلُّوا، وَمَا فَاتَكُمْ فَأَتِمُّوا، فَإِنَّ أَحَدَكُمْ إِذَا كَانَ يَعْمِدُ إِلَى الصَّلَاةِ فَهُوَ فِي صَلَاةٍ».

«যেতিয়া চালাতৰ বাবে ইকামত দিয়া হয়, তেতিয়া তোমালোকে দৌৰি দৌৰি নাহিবা, বৰং ধীৰ-স্থিৰভাৱে আহিবা। এতেকে এইদৰে আহি যিখিনি পাবা সেয়া আদায় কৰিবা, আৰু যিখিনি ৰৈ যাব সেইখিনি পূর্ণ কৰিবা। কাৰণ তোমালোকৰ মাজৰ কোনোবাই যেতিয়া চালাতৰ উদ্দেশ্যে ৰাওনা হয়, তেতিয়া তেওঁ চালাততেই থাকে।»[1] আৰু আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বর্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«الغُسْلُ يَوْمَ الجُمُعَةِ وَاجِبٌ عَلَى كُلِّ مُحْتَلِمٍ، وَأَنْ يَسْتَنَّ، وَأَنْ يَمَسَّ طِيبًا إِنْ وَجَدَ».

"প্রতিজন প্রাপ্তবয়স্ক লোকৰ বাবে জুমুআৰ দিনা গোছল কৰা ওৱাজিব। লগতে মিছৱাক কৰা উচিত আৰু

[1] (বুখাৰীঃ ৬৩৬, আৰু মুছলিমঃ ৬০২)

সুগন্ধি থাকিলে সেয়া ব্যৱহাৰ কৰা উচিত।"[1], আনহাতে নাৰীয়ে যেতিয়া মছজিদলৈ আহিব, তেতিয়া হিজাব পৰিধান কৰি পৰ্দা সহকাৰে আহিব লাগিব, আৰু তাইৰ বাবে সুগন্ধি বা আতৰ ব্যৱহাৰ কৰা বৈধ নহয়; কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِذَا شَهِدَتْ إِحْدَاكُنَّ المَسْجِدَ فَلَا تَمَسَّ طِيبًا».

"তোমালোকৰ (মহিলাসকলৰ) মাজৰ কোনোবাই মছজিদলৈ আহিলে, তাই যেন সুগন্ধি ব্যৱহাৰ নকৰে।"[2]

মছজিদে নবৰীত প্ৰৱেশ কৰাৰ সময়ত সোঁ ভৰি প্ৰথমে আগুৱাই দিব লাগে আৰু মছজিদত প্ৰৱেশ কৰাৰ দুআ পাঠ কৰিব লাগে। সেয়ে অন্যান্য মছজিদৰ দৰেই মছজিদে নবৰীতো প্ৰৱেশ কৰাৰ সময়ত দৰ্শনাৰ্থীৰ বাবে সোঁ ভৰি প্ৰথমে আগুৱাই দিয়াটো মুস্তাহাব, লগতে এই দুআটো পঢ়িব লাগেঃ

«بِسْمِ اللَّهِ، وَالسَّلَامُ عَلَى رَسُولِ اللَّهِ، اللَّهُمَّ اغْفِرْ لِي ذُنُوبِي وَافْتَحْ لِي أَبْوَابَ رَحْمَتِكَ».

"বিছমিল্লাহ, অচ্ছালামু আলা ৰাছুলিল্লাহ, আল্লা-হুম্মাগ ফিৰলী যুনূবী অফতাহলী আবওৱা-বা ৰাহমাতিক।"[3],

---

[1] (বুখাৰীঃ ৮৪৬, আৰু মুছলিমঃ ৮৫৮), আৰু মুহতালিম শব্দৰ অর্থ হৈছে প্ৰাপ্তবয়স্ক।

[2] ছহীহ মুছলিম (৪৪৩)।

[3] ইবনে মাজাহ (হাদীছ নং ৭৭১), হাদীছটোৰ ছনদ ছহীহ।

অর্থঃ আল্লাহৰ নামত, আৰু আল্লাহৰ ৰাছুলৰ ওপৰত শান্তি বর্ষিত হওক। হে আল্লাহ! মোৰ পাপসমূহ ক্ষমা কৰি দিয়া আৰু মোৰ বাবে তোমাৰ কৰুণাৰ দুৱাৰসমূহ খুলি দিয়া। লগতে এইদৰেও ক'ব পাৰেঃ

«أَعُوذُ بِاللَّهِ العَظِيمِ، وَبِوَجْهِهِ الكَرِيمِ، وَسُلْطَانِهِ القَدِيمِ، مِنَ الشَّيْطَانِ الرَّجِيمِ».

"আউজু বিল্লা-হিল আজীম, অবিৱাজহিহিল কাৰীম, অছুলত্বা-নিহিল ক্বাদীম, মিনাশ্ব শ্বাইত্ব-নিৰ ৰাজীম।"[1]

অর্থঃ মই অভিশপ্ত চয়তানৰ পৰা মহান আল্লাহৰ, তেওঁৰ সন্মানিত মুখমণ্ডলৰ আৰু তেওঁৰ অনাদি আধিপত্যৰ আশ্রয় প্রার্থনা কৰোঁ।

তাহিয়্যাতুল মছজিদ আদায় কৰা: মছজিদে নবৱীত নামাজ পঢ়াৰ উদ্দেশ্যে প্রৱেশ কৰা ব্যক্তিৰ বাবে ছুন্নত হৈছে বহাৰ আগতে দুই ৰাকাত তাহিয়্যাতুল মছজিদ পঢ়া। আবু কাতাদাহ হাৰিছ ইবনে ৰিবয়ী আল-আনচাৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বর্ণিত, তেওঁ কৈছে: নবী চাল্লাল্লাহু আলাইহি অছাল্লাম-এ কৈছে:

«إِذَا دَخَلَ أَحَدُكُمُ المَسْجِدَ، فَلَا يَجْلِسْ حَتَّى يُصَلِّيَ رَكْعَتَيْنِ».

"যেতিয়া তোমালোকৰ মাজৰ কোনোবাই মছজিদত প্রৱেশ কৰে, তেতিয়া তেওঁ যেন দুই ৰাকাত নামাজ আদায় নকৰালৈকে নবহে।"[2]

---

[1] আবু দাউদ (হাদীছ নং ৪৬৬), ছনদ ছহীহ।

[2] (বুখাৰীঃ ১১৭১, আৰু মুছলিমঃ ৭১৪)

প্ৰথম শাৰীত নামাজ পঢ়িবলৈ যত্নৱান হোৱা উচিত; কাৰণ ইয়াত মহা ফজীলত আছে, আৰু এইটো কেৱল আগভাগ ল'লেহে সম্ভৱ। আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে যে, ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«لَوْ يَعْلَمُ النَّاسُ مَا فِي النِّدَاءِ وَالصَّفِّ الأَوَّلِ، ثُمَّ لَمْ يَجِدُوا إِلَّا أَنْ يَسْتَهِمُوا عَلَيْهِ لَاسْتَهَمُوا».

«আজান আৰু নামাজৰ প্ৰথম শাৰীত থকা ফজীলত সম্পৰ্কে যদি মানুহে জানিলেহেঁতেন, আৰু লটাৰিৰ বাহিৰে বেলেগ কোনো উপায়ে যদি এই সুযোগ লাভ কৰাটো সম্ভৱ নহ'লহেঁতেন তেন্তে সিহঁতে নিশ্চয় লটাৰিয়ে কৰিলেহেঁতেন।»[1] লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ চাহাবা ৰাদ্বিয়াল্লাহু আনহুমক কৈছেঃ

«تَقَدَّمُوا فَأْتَمُّوا بِي، وَلْيَأْتَمَّ بِكُمْ مَنْ بَعْدَكُمْ، لَا يَزَالُ قَوْمٌ يَتَأَخَّرُونَ حَتَّى يُؤَخِّرَهُمُ اللهُ».

"তোমালোকে অগ্ৰসৰ হোৱা আৰু মোৰ অনুসৰণ কৰা, যাতে তোমালোকৰ পিছৰ লোকসকলে তোমালোকক অনুসৰণ কৰে। একাংশ লোক সদায় পিছুৱাই থাকে, আনকি শেষত আল্লাহেও সিহঁতক পিছুৱাই থকা লোকসকলৰ অন্তৰ্ভুক্ত কৰি দিয়ে।"[2]

---

[1] (বুখাৰীঃ ৬১৫, আৰু মুছলিমঃ ৪৩৭)

[2] ছহীহ মুছলিম (৪৩৮)।

আনহাতে নাৰীসকলৰ বাবে পিছফালৰ শাৰীসমূহত নামাজ পঢ়াটো আৰু পুৰুষসকলৰ পৰা দূৰত থকাটো উত্তম; কাৰণ আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বর্ণিত হাদীছত আছে, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«خَيْرُ صُفُوفِ الرِّجَالِ أَوَّلُهَا، وَشَرُّهَا آخِرُهَا، وَخَيْرُ صُفُوفِ النِّسَاءِ آخِرُهَا، وَشَرُّهَا أَوَّلُهَا».

"পুৰুষসকলৰ বাবে সর্বোত্তম শাৰী হৈছে প্রথম শাৰী, আৰু বেয়া শাৰী হৈছে একেবাৰে শেষৰ শাৰী। আনহাতে নাৰীসকলৰ ক্ষেত্রত সর্বোত্তম শাৰী হৈছে একেবাৰে শেষৰ শাৰী, আৰু বেয়া শাৰী হৈছে প্রথম শাৰী।"[1] কিন্তু যদি তেওঁলোকে পৃথককৈ নামাজ আদায় কৰে, অথবা তেওঁলোক আৰু পুৰুষসকলৰ মাজত কোনো আৱৰণ বা পর্দা থাকে, যিদৰে মছজিদে নবৱীত ব্যৱস্থা আছে, তেন্তে তেওঁলোকৰ বাবে উত্তম শাৰী হৈছে প্রথম শাৰী। কাৰণ এই ক্ষেত্রত উক্ত কাৰণটো দূৰ হৈ যায়।

ইমামৰ পিছফালে নামাজ আদায় কৰিব লাগে আৰু তেওঁৰ আগত যোৱাৰ পৰা সতর্ক থাকিব লাগে; কাৰণ আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছৰ পৰা প্রমাণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে:

«إِنَّمَا جُعِلَ الإِمَامُ لِيُؤْتَمَّ بِهِ».

"নিশ্চয় ইমাম নিযুক্ত কৰা হৈছে অনুসৰণ

[1] ছহীহ মুছলিম (440)।

কৰিবলৈ।''[1]

জৰুৰী অৱস্থা আৰু মুচল্লীৰে মছজিদ পৰিপূৰ্ণ হৈ যোৱাৰ ফলত যদি ইমামৰ সন্মুখৰ বাহিৰে নামাজ পঢ়িবলৈ আন কোনো স্থান নাথাকে, তেনে অৱস্থাৰ বাহিৰে মুচল্লীৰ বাবে ইমামৰ আগত থিয় হোৱা জায়েজ নহয়।

শাৰীবোৰৰ মাজত থকা খালী ঠাই পূৰণ কৰা আৰু শাৰীবোৰ পোন (চিধা) কৰাৰ ক্ষেত্ৰত আগ্ৰহী হোৱা উচিত, কিন্তু মানুহৰ লগত ঠেলা-হেঁচা কৰা আৰু তেওঁলোকক কষ্ট দিয়া, মানুহৰ কান্ধৰ ওপৰেৰে পাৰ হোৱা আৰু মুচল্লীসকলৰ সন্মুখেৰে পাৰ হোৱাৰ পৰা সাৱধান হোৱা উচিত; কাৰণ ইয়াৰ ফলত তেওঁ গুনাহত নিপতিত হ'ব।

সম্ভৱ হ'লে ৰাওজা শ্বৰীফত নামাজ পঢ়া উচিত। কিয়নো আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত হাদীছত আছে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَا بَيْنَ بَيْتِي وَمِنْبَرِي رَوْضَةٌ مِنْ رِيَاضِ الجَنَّةِ، وَمِنْبَرِي عَلَى حَوْضِي».

«মোৰ ঘৰ আৰু মিম্বৰৰ মধ্যৱৰ্তী ঠাইখিনি হৈছে জান্নাতৰ এটা বাগান, আৰু মোৰ মিম্বৰ হৈছে মোৰ হাওজৰ ওপৰত অৱস্থিত।»[2]

ৰাওজা (ৰিয়াজুল জান্নাহ)ত নামাজ পঢ়াৰ নিৰ্দিষ্ট

[1] (বুখাৰীঃ ৭২২, আৰু মুছলিমঃ ৪১৭)

[2] (বুখাৰীঃ ১১৯৫, আৰু মুছলিমঃ ১৩৯০)

কোনো ফজীলত বর্ণিত হোৱা নাই, কিন্তু এইটো প্রমাণিত আছে যে, সেয়া হৈছে জান্নাতৰ বাগিচাসমূহৰ মাজৰ এখন বাগিচা —যিদৰে আবূ হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পূর্বৰ হাদীছটোৰ দ্বাৰা প্রমাণিত— লগতে এই কথাও স্পষ্ট যে, সময় তথা স্থানৰ মর্যাদা অনুসৰি ইবাদতৰ ফজীলত বৃদ্ধি পায়।

* লগতে জিয়াৰতকাৰীয়ে ৰাওজা (ৰিয়াজুল জান্নাত)ত নামাজ পঢ়াৰ বাবে উপযুক্ত সময় বাছনি কৰা আৰু যি সময়ত ভিৰ কম থাকে তেনে সময় নির্বাচন কৰিবলৈ চেষ্টা কৰা উচিত। তাত নামাজ পঢ়াৰ কাৰণে নিজৰ মুছলিম ভাইসকলৰ লগত ঠেলা-হেঁচা কৰা, মানুহৰ কান্ধ অতিক্রম কৰি যোৱা আৰু নামাজৰত ব্যক্তিৰ সন্মুখেৰে পাৰ হৈ যোৱা জায়েজ নহয়। কাৰণ, ৰাওজাত নামাজ পঢ়াটো হৈছে নফল ইবাদত, সেয়ে এটা নফল কাম কৰিবলৈ গৈ কোনো হাৰাম পথ অৱলম্বন কৰা অনুচিত। ঠিক তেনেদৰে, ৰাওজাত প্রৱেশ কৰাৰ বাবে থকা বিশেষ নীতি-নিয়ম আৰু ব্যৱস্থাপনা মানি চলা, উপযুক্ত সময় বাছনি কৰা আৰু তাত জিয়াৰতকাৰীসকলৰ প্রৱেশ নিয়ন্ত্রণ কৰা দায়িত্বশীল ব্যক্তিসকলৰ সৈতে সহযোগিতা কৰাৰ ক্ষেত্রত জিয়াৰতকাৰীয়ে যত্নৱান হোৱা উচিত।

বেছি বেছি নেক আমল কৰাৰ জৰিয়তে সময়ৰ সদ্ব্যৱহাৰ কৰা, যিবোৰে বান্দাক পৰিত্র মহান আল্লাহৰ নৈকট্য লাভ কৰোৱায়; যেনে- ছালাত, কোৰআন

তিলাৱত, জিকৰ, দুআ, জিকৰ-আজকাৰৰ মজলিছত উপস্থিত থকা, দ্বীনী দৰ্ছ আৰু পৱিত্ৰ কোৰআন শিক্ষাৰ হালক্বা আদিত অংশগ্ৰহণ কৰা ইত্যাদি।

সৰ্বশক্তিমান আল্লাহৰ গ্ৰন্থৰ সন্মান ৰক্ষা কৰিব লাগে, আৰু কোৰআনৰ পৃষ্ঠাসমূহক লৈ অলাগতিয়াল কাম কৰাৰ পৰা, ইয়াৰ ওপৰত লিখাৰ পৰা, অথবা কোৰআনৰ ওচৰত জোতা চেণ্ডেল ৰাখি বা কোৰআন মাটিত থোৱাৰ জৰিয়তে ইয়াক অৱমূল্যায়ন তথা অপমান কৰাৰ পৰা সুৰক্ষিত ৰখা উচিত। কাৰণ মহান আল্লাহে কৈছেঃ

﴿ذَٰلِكَ وَمَن يُعَظِّمْ شَعَـٰٓئِرَ ٱللَّهِ فَإِنَّهَا مِن تَقْوَى ٱلْقُلُوبِ﴿٣٢﴾﴾

“এইটোৱে হৈছে আল্লাহৰ বিধান, আৰু যিয়ে আল্লাহৰ নিদৰ্শনাৱলীক সন্মান কৰে, নিঃসন্দেহে সেইটো হৈছে তাৰ হৃদয়ৰ তাক্বৱাৰ বহিঃপ্ৰকাশ।” (ছুৰা আল-হাজ্জঃ ৩২)

সৰ্বশক্তিমান আল্লাহে হাৰাম কৰা বস্তুৰ পৰা দৃষ্টিক সংযত ৰখাঃ মছজিদে নবৱীৰ দৰ্শনার্থীৰ বাবে এনেকুৱা বস্তুৰ পৰা নিজৰ দৃষ্টিক সংযত ৰখা অনিবার্য, যিবোৰ দেখা তেওঁৰ বাবে হালাল নহয়। লগতে তেওঁ জনা উচিত যে, এই পৱিত্ৰ স্থানত গুনাহ কৰাটো কিমান ভয়াৱহ আৰু ইয়াৰ ফলত কি শাস্তি হ'ব পাৰে। কাৰণ সময় আৰু স্থানৰ মৰ্যাদা অনুসৰি গুনাহৰ পৰিমাণ আৰু প্ৰকৃতিও গুৰুতৰ হয়, ঠিক একেদৰে নেক আমলসমূহৰো ছোৱাব বৃদ্ধি হয়। আনহাতে এগৰাকী

মুছলিম নাৰীয়ে চৰীয়তসন্মত পর্দা পালনৰ প্রতি যত্নৱান হোৱা উচিত, আৰু নিজৰ সৌন্দর্য প্রকাশ কৰাৰ পৰা বিৰত থকা উচিত, যাতে পুৰুষসকলে ফিতনাত পতিত নহয়। কাৰণ ইয়াৰ গুনাহ অত্যন্ত গুৰুতৰ।

ম'বাইলত ছবি তোলা অথবা ছবি আৰু ভিডিঅ' চোৱাত ব্যস্ত থকাৰ পৰা বিৰত থকা উচিত, আৰু যদি এই ছবি আৰু ভিডিঅ'বোৰ হাৰাম হয় তেন্তে বিষয়টো আৰু অধিক গুৰুতৰ হৈ পৰে।

মছজিদে নবৱীক সেই সকলোবোৰ কামৰ পৰা পৱিত্র ৰখা যিবোৰ ইয়াৰ বাবে উপযুক্ত নহয়, যেনে: বাদ-বিবাদ, উচ্চস্বৰে কথা কোৱা, হেৰোৱা বস্তু বিচৰা, কিনা-বেচা আৰু লগতে এই ধৰণৰ সকলো কাম-কাজ যিবোৰ ইয়াত আৰু অন্যান্য মছজিদতো কৰা উচিত নহয়; কিয়নো আবু হুৰায়ৰা -ৰাদ্বিয়াল্লাহু আনহুৰে নবী চাল্লাল্লাহু আলাইহি অছাল্লাম ৰ পৰা বর্ণনা কৰিছে, তেখেতে কৈছে:

«إِذَا رَأَيْتُمْ مَنْ يَبِيعُ أَوْ يَبْتَاعُ فِي المَسْجِدِ، فَقُولُوا: لَا أَرْبَحَ اللَّهُ تِجَارَتَكَ، وَإِذَا رَأَيْتُمْ مَنْ يَنْشُدُ فِيهِ ضَالَّةً، فَقُولُوا: لَا رَدَّ الله عَلَيْكَ».

"যেতিয়া তোমালোকে কোনো ব্যক্তিক মছজিদত কিনা-বেচা কৰা দেখিবলৈ পোৱা, তেতিয়া কোৱাঃ আল্লাহে যেন তোমাৰ ব্যৱসায়ত উন্নতি নিদিয়ে, আৰু যেতিয়া তোমালোকে কোনো ব্যক্তিক মছজিদত হেৰুৱা বস্তুৰ ঘোষণা কৰা দেখিবলৈ পোৱা, তেতিয়া কোৱাঃ

আল্লাহে যেন তোমাক সেইটো ওভোতাই নিদিয়ে।"[1]

ব্যক্তিগত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি আগ্ৰহী হ'ব লাগে, লগতে নহৰু, পিঁয়াজ, ধোঁৱা, ঘাম আৰু এই জাতীয় বস্তুৰ দুৰ্গন্ধৰ পৰা সাৱধান হ'ব লাগে, যিবোৰে নামাজ পঢ়িবলৈ অহা ভাইসকলক কষ্ট দিয়ে; কাৰণ জাবিৰ ইবনে আব্দুল্লাহ ৰাদ্বিয়াল্লাহু আনহুৰ হাদীছত বৰ্ণিত আছে, তেওঁ কৈছেঃ নিশ্চয় ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«مَنْ أَكَلَ ثُومًا أَوْ بَصَلًا، فَلْيَعْتَزِلْنَا - أَوْ قَالَ: فَلْيَعْتَزِلْ مَسْجِدَنَا - وَلْيَقْعُدْ فِي بَيْتِهِ».

"যিয়ে (কেঁচা) নহৰু অথবা (কেঁচা) পিঁয়াজ খাইছে, সি যেন আমাৰ পৰা আঁতৰি থাকে, - অথবা তেখেতে কৈছিলঃ আমাৰ মছজিদৰ পৰা যেন আঁতৰি থাকে আৰু নিজৰ ঘৰতে যেন অৱস্থান কৰে।"[2]

মছজিদে নবৰীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা বজায় ৰখাৰ প্ৰতি যত্নৱান হোৱা উচিত, আৰু মছজিদৰ ভিতৰত লগতে ইয়াৰ প্ৰাংগণত আৱৰ্জনা পেলোৱাৰ পৰা বিৰত থকা উচিত, যেনে- খাদ্যৰ অৱশিষ্টাংশ আৰু ইফতাৰৰ দস্তৰখান (বিশেষকৈ ৰমজান মাহত), অথবা অহা-যোৱা কৰা পথ তথা প্ৰাংগণত থু পেলোৱা ইত্যাদি।

মানুহে যাতায়ত কৰা পথত, প্ৰৱেশদ্বাৰত আৰু

[1] তিৰমিজী (হাদীছ নং ১৩২১), ইবনু খুজাইমা (হাদীছ নং ১৩০৫), ছনদ ছহীহ।
[2] (বুখাৰীঃ ৭৩৫৯, আৰু মুছলিমঃ ৫৬৪)

জনবহুল স্থানত নামাজ পঢ়াৰ পৰা বিৰত থকা উচিত, কাৰণ ইয়াৰ ফলত বিভিন্ন সমস্যাৰ সৃষ্টি হয়, পথ অৱৰুদ্ধ হয় আৰু মুছলিম ভাতৃসকলৰ কষ্ট হয়।

মছজিদে নবৱীৰ ভিতৰত বা ইয়াৰ চৌহদত পুৰুষ আৰু মহিলাসকলে প্ৰত্যেকৰে বাবে নিৰ্ধাৰিত স্থানত চালাত আদায় কৰিব লাগে। কোনো পুৰুষে মহিলাৰ কাষত আৰু কোনো মহিলাই পুৰুষৰ কাষত চালাত আদায় কৰিব নালাগে। লগতে যিমান দূৰ সম্ভৱ ইমামতকৈ আগত থিয় হোৱাৰ পৰা সাৱধান হ'ব লাগে।

মছজিদৰ পৰা ওলোৱাৰ সময়ত বাওঁ ভৰি আগতে উলিয়াব লাগে আৰু ওলোৱাৰ সময়ত এই দুআ পঢ়িব লাগেঃ

«اللَّهُمَّ إِنِّي أَسْأَلُكَ مِنْ فَضْلِكَ».

"আল্লা-হুম্মা ইন্নী আছআলুকা মিন ফাজলিক।"[1]

অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত তোমাৰ অনুগ্ৰহ প্ৰাৰ্থনা কৰোঁ। অথবা নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত দৰূদ পাঠ কৰিব আৰু ক'বঃ

«رَبِّ اغْفِرْ لِي ذُنُوبِي، وَافْتَحْ لِي أَبْوَابَ فَضْلِكَ».

"ৰাব্বিগ ফিৰলী জুনুবী, অফতাহলী আবওৱা-বা ফাজলিক।"[2]

---

[1] ছহীহ মুছলিম (৭১৩)।

[2] তিৰমিজী (হাদীছ নং ৩১৪), ছনদ ছহীহ।

অর্থঃ হে মোৰ প্ৰতিপালক! মোৰ গুণাহসমূহ ক্ষমা কৰি দিয়া আৰু মোৰ বাবে তোমাৰ অনুগ্ৰহৰ দৰজাসমূহ মুকলি কৰি দিয়া।

চতুৰ্থঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ আৰু দুয়ো চাহাবী ৰাদ্বিয়াল্লাহু আনহুমাৰ কবৰ জিয়াৰতৰ বিধি-বিধান আৰু নিয়ম-নীতি

* মদীনাৰ অধিবাসীসকলৰ বাবে আৰু যিসকলে তালৈ প্ৰতিনিধি তথা জিয়াৰতকাৰী হিচাপে আগমন কৰে তেওঁলোকৰ বাবে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ আৰু তেখেতৰ দুয়ো চাহাবী আবু বকৰ আৰু ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ কবৰ জিয়াৰত কৰাটো মুস্তাহাব। কিয়নো কবৰ জিয়াৰত কৰাটো চৰীয়তসন্মত হোৱাৰ বিষয়ে ব্যাপক প্ৰমাণাদি আছে, তাৰ ভিতৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ বাণী হৈছেঃ

«نَهَيْتُكُمْ عَنْ زِيَارَةِ القُبُورِ، فَزُورُوهَا».

“মই তোমালোকক কবৰ জিয়াৰত কৰিবলৈ নিষেধ কৰিছিলোঁ, কিন্তু এতিয়া তোমালোকে কবৰ জিয়াৰত কৰা।”[1]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ মৃত্যুৰ পিছত

[1] ছহীহ মুছলিম (977)।

তেখেতৰ প্ৰতি ছালাম পাঠ কৰাৰ ফজীলত সম্পৰ্কে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ এই বাণীটো হৈছে অন্যতম প্ৰমাণঃ

«مَا مِنْ أَحَدٍ يُسَلِّمُ عَلَيَّ، إِلَّا رَدَّ اللهُ عَزَّ وَجَلَّ إِلَيَّ رُوحِي حَتَّى أَرُدَّ عَلَيْهِ السَّلَامَ».

"মোৰ প্ৰতি যেতিয়াই কোনোবাই ছালাম প্ৰেৰণ কৰে, তেতিয়াই মহান আল্লাহে মোক মোৰ প্ৰাণ ওভোতাই দিয়ে, যাতে মই সেই ছালামৰ উত্তৰ দিব পাৰোঁ।"[1]

* মহিলাসকলৰ বাবে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ জিয়াৰতৰ লগতে অন্যান্য মুছলিমৰ কবৰ জিয়াৰত কৰাটোও চৰীয়ত সন্মত নহয়। কিয়নো পুৰুষসকলৰ বাবে কবৰ জিয়াৰত কৰাটো চৰীয়ত সন্মত, পক্ষান্তৰে মহিলাসকলক কবৰ জিয়াৰত কৰাৰ পৰা নিষেধ কৰা হৈছে। ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ

«لَعَنَ رَسُولُ اللَّهِ ﷺ زَائِرَاتِ القُبُورِ، وَالمُتَّخِذِينَ عَلَيْهَا المَسَاجِدَ وَالسُّرُجَ».

«ৰাছূলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কবৰ জিয়াৰতকাৰী নাৰীসকলৰ প্ৰতি, আৰু যিসকলে ইয়াৰ ওপৰত মছজিদ নিৰ্মাণ কৰে লগতে চাকি জ্বলায়, সিহঁতৰ প্ৰতি অভিসম্পাত কৰিছে।»[2] আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত,

---

[1] মুছনাদে আহমদ (হাদীছ নং ১০৮১৫), ছনদ হাছান।

[2] আবু দাউদ (হাদীছ নং ৩২৩৬), তিৰমিজী (হাদীছ নং ৩২০), নাছায়ী (হাদীছ নং ২০৪৩)।

«أَنَّ رَسُولَ اللَّهِ ﷺ لَعَنَ زَوَّارَاتِ القُبُورِ».

"নিশ্চয় ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কবৰ জিয়াৰতকাৰীণী নাৰীসকলৰ প্ৰতি অভিসম্পাত কৰিছে।"[1]

* কেৱল কবৰ জিয়াৰত কৰাৰ নিয়ত লৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ জিয়াৰতৰ উদ্দেশ্যে ভ্ৰমণ কৰি যোৱাটো বৈধ নহয়। বৰং তেওঁৰ ভ্ৰমণৰ উদ্দেশ্য হ'ব লাগিব মছজিদ জিয়াৰত কৰা আৰু তাত নামাজ পঢ়া। মদীনাত উপস্থিত হৈ অৱস্থান কৰাৰ পাছত তেওঁৰ বাবে কবৰ জিয়াৰত কৰাটো চৰীয়তসন্মত, যিদৰে মদীনাত বসবাস কৰা স্থানীয় বাসিন্দাসকলৰ বাবে এইটো চৰীয়তসন্মত। কিয়নো নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ

«لَا تُشَدُّ الرِّحَالُ إِلَّا إِلَى ثَلَاثَةِ مَسَاجِدَ: مَسْجِدِي هَذَا، وَمَسْجِدِ الحَرَامِ، وَمَسْجِدِ الأَقْصَى».

"তিনিটা মছজিদৰ বাহিৰে বেলেগ ক'তো তোমালোকে (ছোৱাবৰ উদ্দেশ্যে) ছফৰ কৰি নাযাবা। সেই তিনিটা মছজিদ হৈছেঃ মোৰ এই মছজিদ, মছজিদে হাৰাম আৰু মছজিদে আকচা।"[2]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ আৰু

[1] তিৰমিজী (হাদীছ নং ১০৫৬), ইবনু মাজাহ (হাদীছ নং ১৫৭৬), ইয়াৰ ছনদ হাছান।

[2] বুখাৰী (১১৮৯), মুছলিম (১৩৯৭) শব্দবোৰ মুছলিমৰ।

তেখেতৰ দুয়ো চাহাবী ৰাদ্বিয়াল্লাহু আনহুমাৰ কবৰ জিয়াৰতৰ চৰীয়তসন্মত শিষ্টাচাৰ।

জিয়াৰতকাৰীয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰৰ সন্মুখত কবৰৰ ফালে মুখ কৰি থিয় হ'ব, ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামক আদবৰ সৈতে নিম্নস্বৰত ছালাম জনাব আৰু ক'বঃ "আচ্ছালামু আলাইকা ইয়া ৰাছুলাল্লাহি অৰাহমাতুল্লাহি অবাৰাকাতুহ।" অর্থঃ হে আল্লাহৰ ৰাছুল! আপোনাৰ ওপৰত শান্তি বর্ষিত হওক, লগতে আল্লাহৰ ৰহমত আৰু বৰকত অৱতীর্ণ হওক। আনহাতে যদি তেওঁ ইয়াতকৈ বেছি এইদৰে কয়ঃ "আশ্বহাদু আন্নাকা ক্বাদ বাল্লাগতাৰ ৰিছালাহ। ৰা আদ্দাইতাল আমানাহ। অনাছাহতাল উম্মাহ। অজাহাদ্‌তা ফিল্লাহি হাক্কাল জিহাদ।" তেন্তে তাত কোনো অসুবিধা নাই; কাৰণ এই সকলোবোৰ হৈছে সত্য।

ইয়াৰ পাছত সোঁফালে এক খোজ দি আবু বকৰ চিদ্দীক ৰাদ্বিয়াল্লাহু আনহুৰ কবৰৰ সন্মুখত আহি এই বুলি ক'বঃ আচ্ছালামু আলাইকা ইয়া আবা বকৰ চিদ্দীক্ব, আচ্ছালামু আলাইকা ইয়া খালীফাতা ৰাছুলিল্লাহি চাল্লাল্লাহু আলাইহি অছাল্লাম, ৰাদ্বিয়াল্লাহু আনকা ওৱা আৰদ্বা-ক, অজাঝাকা আন উম্মাতি মুহাম্মাদিন খাইৰা। (অর্থঃ হে আবু বকৰ চিদ্দীক আপোনাৰ ওপৰত শান্তি বর্ষিত হওক, হে আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ খলীফা আপোনাৰ

ওপৰত শান্তি বর্ষিত হওক, আল্লাহে আপোনাৰ প্রতি সন্তুষ্ট হওক আৰু আপোনাকো সন্তুষ্ট কৰক, লগতে মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ উম্মতৰ তৰফৰ পৰা আপোনাক উত্তম প্রতিদান দিয়ক)।

ইয়াৰ পাছত তেওঁ সোঁফালে এখোজ আগুৱাই গৈ ওমৰ বিন খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ কবৰৰ সন্মুখত থিয় হ'ব আৰু এই বুলি ক'বঃ আচ্ছালামু আলাইকা ইয়া ওমৰ আল ফাৰূক্ব, ৰাদ্বিয়াল্লাহু আনকা ওৱা আৰদ্বা-ক, অজাঝাকা আন উম্মাতি মুহাম্মাদিন খাইৰা। (হে ওমৰ ফাৰূক! আপোনাৰ ওপৰত শান্তি বর্ষিত হওক, আল্লাহ আপোনাৰ প্রতি সন্তুষ্ট হওক আৰু আপোনাকো সন্তুষ্ট কৰক, লগতে আপোনাক মুহাম্মাদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ উম্মতৰ পক্ষৰ পৰা উত্তম প্রতিদান দিয়ক)।

ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাই যেতিয়া ছফৰৰ পৰা উভতি আহিছিল, তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰৰ ওচৰলৈ আহি কৈছিলঃ "আচ্ছালামু আলাইকা ইয়া ৰাছুলাল্লাহ, আচ্ছালামু আলাইকা ইয়া আবা বকৰ, আচ্ছালামু আলাইকা ইয়া আবাতা-হ।"

অর্থঃ হে আল্লাহৰ ৰাছুল আপোনাৰ ওপৰত শান্তি বর্ষিত হওক, হে আবু বকৰ আপোনাৰ ওপৰত শান্তি বর্ষিত হওক, হে মোৰ পিতা! আপোনাৰ ওপৰত শান্তি বর্ষিত হওক। তাৰ পিছত তেওঁ গুচি যাবা[1].

কবৰৰ দেৱাল বা বেৰ স্পর্শ নকৰিব আৰু তাত চুমা

[1] বাইহাকী ছুনান আল-কুবৰাঃ ১০২৭১, ছনদ ছহীহ)

নাখাব:

ইমাম মালিক ৰাহিমাহুল্লাহে কৈছেঃ "যেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ছালাম জনাব, তেতিয়া তেখেতৰ কবৰ অভিমুখী হৈ থিয় হ'ব; কিবলামুখী হৈ নহয়। ওচৰলৈ গৈ কেৱল ছালাম জনাব৷ হাতেৰে কবৰ স্পর্শ নকৰিব।"[1]

এই ক্ষেত্রত ইমামসকল একমত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ হাতেৰে স্পর্শ কৰা আৰু তাত চুমা খোৱা বৈধ নহয়।

কবৰৰ ওচৰত বেছি সময় ৰৈ নাথাকিব, বৰং ছালাম দিয়াৰ লগে লগে তাৰ পৰা গুচি আহিব।

ইমাম মালিক ৰাহিমাহুল্লাহে কৈছেঃ "নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰৰ ওচৰত থিয় হৈ দুআ কৰাটো মই উচিত বুলি নাভাবোঁ, বৰং ছালাম জনাই গুচি যাব লাগে।"[2]

নাফে ৰাহিমাহুল্লাহে কৈছেঃ "ইবনে ওমৰে কবৰত ছালাম দিছিল.. মই তেওঁক এশবাৰ বা তাতোকৈ অধিকবাৰ কবৰৰ ওচৰলৈ আহি এই বুলি কোৱা দেখিছোঁঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত শান্তি বর্ষিত হওক। আবু বকৰৰ ওপৰত শান্তি বর্ষিত হওক, মোৰ পিতাৰ ওপৰত শান্তি বর্ষিত হওক। এই বুলি

[1] আশ্ব-শ্বিফা লিল-ক্বাজী আয়াজ (২/১৯৯)।
[2] আশ্ব-শ্বিফা লিল-ক্বাজী আয়াজ (২/ ১৯৯)।

কৈ তেওঁ গুচি গৈছিল।"[1]

কিছুমান জিয়াৰতকাৰীয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰৰ ওচৰত থিয় হৈ উচ্চস্বৰে কিবাকিবি পাঠ কৰে আৰু বহুত সময় তাত থিয় হৈ থাকে, এইটো হৈছে চৰীয়ত পৰিপন্থী।

কোনো উপকাৰ সাধন বা অপকাৰ দূৰ কৰাৰ বাবে, অথবা কোনো প্ৰয়োজন পূৰণ কৰাৰ বাবে, অথবা বিপদ-আপদ দূৰ কৰাৰ বাবে, অথবা অসুস্থ ব্যক্তিৰ আৰোগ্য কামনা কৰি, নাইবা শ্বাফাআত বিচাৰি, অথবা শাস্তিৰ পৰা পৰিত্ৰাণ বিচাৰি আদি কোনো দুআই ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লাম অথবা অন্য কোনো সৃষ্টিৰ ওচৰত কৰা বৈধ নহয়। কাৰণ যিবোৰ বিষয়ত একমাত্ৰ আল্লাহৰ বাহিৰে আন কাৰো ক্ষমতা নাই, তেনে বিষয়ত আল্লাহৰ বাহিৰে আনৰ ওচৰত দুআ কৰাটো হৈছে হাৰাম আৰু ডাঙৰ শ্বিৰ্ক। যেনে- মহান আল্লাহে কৈছেঃ

﴿وَقَالَ رَبُّكُمُ ٱدۡعُونِيٓ أَسۡتَجِبۡ لَكُمۡۚ إِنَّ ٱلَّذِينَ يَسۡتَكۡبِرُونَ عَنۡ عِبَادَتِي سَيَدۡخُلُونَ جَهَنَّمَ دَاخِرِينَ ٦٠﴾

“আৰু তোমালোকৰ প্ৰতিপালকে কৈছে, ‘তোমালোকে কেৱল মোৰ ওচৰতেই দুআ কৰা, মই তোমালোকৰ দুআ কবুল কৰিম। নিশ্চয় যিসকলে অহংকাৰ কৰি মোৰ ইবাদতৰ পৰা বিমুখ হয়, সিহঁত অচিৰেই লাঞ্ছিত হৈ জাহান্নামত প্ৰৱেশ কৰিব’।” (ছুৰা

[1] আজুৰী, কিতাবুশ্ব শ্বাৰীআহ (৫/২৩৭৪), (১৮৫৩)।

গাফিৰঃ ৬০) মহান আল্লাহে আৰু কৈছেঃ

﴿إِنَّ ٱلَّذِينَ تَدۡعُونَ مِن دُونِ ٱللَّهِ عِبَادٌ أَمۡثَالُكُمۡۖ فَٱدۡعُوهُمۡ فَلۡيَسۡتَجِيبُواْ لَكُمۡ إِن كُنتُمۡ صَٰدِقِينَ ١٩٤﴾

“আল্লাহৰ বাহিৰে তোমালোকে যিসকলক আহ্বান কৰা সিহঁত তোমালোকৰ দৰেই হৈছে (আল্লাহৰ) বান্দাহ, গতিকে যদি তোমালোকে সত্যবাদী হোৱা তেন্তে সিহঁতক আহ্বান কৰা, (চোৱাচোন) সিহঁতে তোমালোকৰ আহ্বানত সঁহাৰি দিয়েনে নাই।” (ছুৰা আল-আৰাফঃ ১৯৪) সর্বশক্তিমান আল্লাহে আৰু কৈছেঃ

﴿وَأَنَّ ٱلۡمَسَٰجِدَ لِلَّهِ فَلَا تَدۡعُواْ مَعَ ٱللَّهِ أَحَدٗا ١٨﴾

“আৰু নিশ্চয় মছজিদসমূহ হৈছে আল্লাহৰ বাবেই (নির্মিত), গতিকে তোমালোকে আল্লাহৰ লগত আন কাকো নামাতিবা।” (ছুৰা আল-জিনঃ ১৮)

কবৰৰ কাষত থিয় হৈ আল্লাহৰ ওচৰত দুআ কৰা উচিত নহয়। যদি দুআ কৰিব বিচাৰে তেন্তে কবৰৰ পৰা আঁতৰি গৈ কিবলামুখী হৈ দুআ কৰিব, আৰু দুআ কৰাৰ সময়ত কবৰৰ ফালে মুখ নকৰিব।

আৰু ইমাম মালিক ৰাহিমাহুল্লাহে কৈছেঃ "নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰৰ ওচৰত থিয় হৈ দুআ কৰাটো মই উচিত বুলি নাভাবোঁ।"

মছজিদত প্ৰৱেশ কৰা বা মছজিদৰ পৰা ওলাই অহাৰ সময়ত কবৰৰ ওচৰলৈ অধিক অহা-যোৱা কৰাটো চৰীয়ত সন্মত নহয়, সেয়া মদীনাত অৱস্থান

কৰা ব্যক্তিৰ বাবেই হওক অথবা বাহিৰৰ পৰা অহা জিয়াৰতকাৰীসকলৰ বাবেই নহওক কিয়। কিয়নো ইয়াৰ ফলত কবৰক উৎসৱৰ স্থান হিচাপে গ্ৰহণ কৰাৰ আশংকা থাকে।

এই বিষয়ে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে নিষেধাজ্ঞা জাৰি কৰিছে, তেখেতে কৈছেঃ

«لَا تَتَّخِذُوا قَبْرِي عِيدًا، وَلَا تَجْعَلُوا بُيُوتَكُمْ قُبُورًا، وَحَيْثُمَا كُنْتُمْ فَصَلُّوا عَلَيَّ، فَإِنَّ صَلَاتَكُمْ تَبْلُغُنِي».

«তোমালোকে মোৰ কবৰক মেলাৰ স্থল নবনাবা আৰু নিজৰ ঘৰবোৰক কবৰত পৰিণত নকৰিবা। তোমালোকে য'তেই নাথাকা কিয় মোৰ ওপৰত দুৰূদ পাঠ কৰা, কাৰণ তোমালোকৰ দুৰূদ মোৰ ওচৰলৈ পৌঁচাই দিয়া হয়।»[1]

"মোৰ কবৰক মেলাৰ স্থল নবনাবা"- ইয়াৰ অর্থ হৈছে কোনো বিশেষ সময় বা বিশেষ অৱস্থাত বাৰে বাৰে তালৈ যোৱা, যেনে- প্ৰতিদিনে, প্ৰতি সপ্তাহে বা প্ৰতি মাহে কবৰ জিয়াৰতক নির্দিষ্ট কৰি লোৱা, অথবা এনে কোনো বিশেষ অৱস্থাৰ সৃষ্টি হ'লে তাত জিয়াৰত কৰিবলৈ যোৱা। লগতে কোৱা হৈছে: অর্থাৎ তোমালোকে ইয়াক এনে কোনো সমাৱেশৰ স্থানত পৰিণত নকৰিবা য'ত তোমালোকে একত্ৰিত হোৱা।[2]

---

[1] মুছনাদে আহমদ (হাদীছ নং ৮৮০৪), ইয়াৰ ছনদ হাছান।

[2] আল-মুফৰাদাত লিৰ ৰা-গিব আল-আছফাহানীঃ (পৃঃ ৫৯৪), শ্বাৰহুছ-ছুদূৰ বিতাহৰীমি ৰফ'য়িল কুবূৰ লিশ্ব-শ্বাওকানীঃ (পৃঃ ১৬)।

ইমাম মালিক ৰাহিমাহুল্লাহে কৈছেঃ "মদীনাবাসীৰ যিসকল লোকে মছজিদত প্ৰৱেশ কৰে আৰু তাৰ পৰা ওলাই যায়, তেওঁলোকৰ বাবে কবৰৰ ওচৰত থিয় হোৱাটো আৱশ্যক নহয়, বৰঞ্চ সেয়া কেৱল বাহিৰৰ পৰা অহা লোকসকলৰ বাবেহে।"[1]

তেওঁ (ৰাহিমাহুল্লাহ)ৰ এই উক্তিঃ "সেইটো কেৱল মুছাফিৰসকলৰ বাবে"ঃ অৰ্থাৎ সাধাৰণ সাক্ষাৎ, প্ৰৱেশ কৰা আৰু ওলোৱাৰ সময়ত বাৰে বাৰে সাক্ষাৎ কৰাটো জৰুৰী নহয়।

কবৰৰ সন্মুখত নামাজত থিয় হোৱাৰ দৰে এখন হাত আনখন হাতৰ ওপৰত ৰাখি বুকুত বা বুকুৰ তলত বান্ধি থিয় হ'ব নালাগে; কাৰণ এই অৱস্থাটো কেৱল নামাজৰ বাবেহে নিৰ্দিষ্ট, আৰু এইটো হৈছে অৱনমন তথা আত্মসমৰ্পণৰ অৱস্থা, যিটো কেৱল আল্লাহ ছুবহানাহু অতাআলাৰ বাবেই উপযুক্ত।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত ছালাম পাঠ কৰাৰ উদ্দেশ্যে দূৰৈৰ কোনো স্থানৰ পৰা কবৰৰ পিনে মুখ কৰা অনুচিত, যিদৰে একাংশ মানুহে কৰি থাকে। কিয়নো চাহাবা ৰাদ্বিয়াল্লাহু ‘আনহুমৰ লগতে চাৰিজন ইমামকে ধৰি ছালাফে ছালেহীন বা অন্য কোনেও এনেকুৱা কাম কৰা নাছিল।

যিকোনো দিশৰ পৰাই নহওক কিয়, পৱিত্ৰ কবৰৰ

[1] আশ্ব-শ্বিফা লিল-কাজী আয়াজ (২/২০৪), আল-মাদখাল ইবনুল হাজ্জ (১/২৬২)।

ফালে মুখ কৰি দুআ কৰা, কোৰআন তিলাৱত কৰা বা এই জাতীয় আন কোনো কাম কৰা বৈধ নহয়। কাৰণ এইটো ইয়াৰ পূর্বৰ নৱ-আৱিষ্কৃত বিষয়সমূহৰ (বিদআত) দৰেই একে পর্যায়ৰ। কোনো মুছলিমৰ বাবেই দ্বীনৰ মাজত এনেকুৱা কোনো নতুন বিষয় সৃষ্টি কৰা কেতিয়াও বৈধ নহয়, যিটোৰ অনুমতি আল্লাহে দিয়া নাই। ইমাম মালিক ৰাহিমাহুল্লাহে এই ধৰণৰ কামবোৰক অস্বীকাৰ কৰিছে, লগতে তেওঁ কৈছেঃ "যিটোৱে এই উম্মতৰ প্রথমাংশক সংশোধন কৰিছিল, তাৰ বাহিৰে আন একোৱেই ইয়াৰ শেষাংশক সংশোধন কৰিব নোৱাৰিব।"[1]

নবী চাল্লাল্লাহু আলাইহি অছাল্লাম ক ছালাম নিবেদন কৰাৰ সময়ত ছবি তোলা আৰু লাইভ সম্প্রচাৰ কৰাত ব্যস্ত থাকিব নালাগে।

আল্লাহে আমাৰ প্রিয় নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আৰু তেওঁৰ পৰিয়ালবর্গ আৰু চাহাবাসকলৰ ওপৰত দৰূদ আৰু ছালাম বর্ষণ কৰক।

❋❋❋

[1] মজমু ফাতাৱা ইবনে বাজ (১৬/ ১১০)।

সূচীপত্র

মছজিদে নবৱীৰ ফজীলত আৰু নিয়ম-নীতি, লগতে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ আৰু তেখেতৰ দুয়ো চাহাবা ৰাদ্বিয়াল্লাহু আনহুমাৰ কবৰ জিয়াৰতৰ বিধি-বিধান 2
ভূমিকা.....2
প্রথম: মছজিদে নবৱীৰ ফজীলতসমূহ 3
দ্বিতীয়: পৱিত্র মছজিদে নবৱী জিয়াৰত কৰাটো হৈছে মুস্তাহাব.....6
তৃতীয়ঃ মছজিদে নবৱী জিয়াৰত কৰাৰ নীতি-নিয়ম ...7
চতুর্থঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ আৰু দুয়ো চাহাবী ৰাদ্বিয়াল্লাহু আনহুমাৰ কবৰ জিয়াৰতৰ বিধি-বিধান আৰু নিয়ম-নীতি 19

❋❋❋

as492v1.0 - 02/11/2026

حرمين

رئاسة الشؤون الدينية بالمسجد الحرام والمسجد النبوي

رسالة الحرمين

হাৰামাইনৰ বাৰ্তা

মছজিদে হাৰাম আৰু মছজিদে নবৱীৰ যাত্ৰীসকলৰ বাবে বিভিন্ন ভাষাৰ শ্ৰৱীয়তভিত্তিক নিৰ্দেশনামূলক বিষয়বস্তু